ড° গকুল গগৈ, সহকাৰী অধ্যাপক, এম.চি.কলেজ

# ছন্দৰ সাধাৰণ পৰিচয়

শ্ৰুতিমধুৰ হোৱাকৈ কবিয়ে শব্দৰ সুবিন্যাসেৰে কাব্যত ধ্বনি মাধুৰ্যৰ সূচনা কৰে। এনেদৰে শব্দৰ সুবিন্যাসৰ ফলত ওপজা সৌন্দৰ্যই ছন্দ। অনুপ্ৰাস আদি অলংকাৰৰ দৰে ছন্দয়ো কাব্যক গীতৰ মাধুৰ্য প্ৰদান কৰে। তীৰ্থনাথ শৰ্মাই সংযমেই ছন্দৰ মূল কথা বুলি অভিহিত কৰিছে। বাধাহীন গতিৰে বৈ যোৱা জুৰিটিয়ে যেতিয়া শিলৰ গাত ঠেকা খাই সংযমী হৈ পৰে, তেতিয়া সেই অবাধ গতিৰ সংযমৰ ফলত জুৰিৰ বুকুত নৃত্য-ভংগিমাৰ হিল্লোল উঠে, কুলু কুলু ধ্বনি-মাধুৰ্যৰ সৃষ্টি হয়। ঠিক একেদৰে স্বচ্ছন্দ গতিৰে বৈ যোৱা অবাধ গতিক নিয়মিত কৰি লয়যুক্ত কৰাই ছন্দৰ প্ৰধান কাম।

সোণাপতি দেৱশৰ্মাৰ মতে “যিবিলাক বাক্য সমান সংখ্যক আখৰেৰে লিখা আৰু সুললিত সুৰৰ বাবে যাক শুনিলে শ্ৰৱণ আৰু মনৰ তৃপ্তি হয়, তাক ছন্দ বোলে।”

বক্তব্য বা উক্তিৰ অবাধ গতিক সময়ৰ জোখেৰেহে নিয়মিত বা সংযত কৰিব পাৰি। ভাষাৰ ক্ষেত্ৰত এই সময়ৰ জোখ উলিয়াবলৈ তিনি প্ৰকাৰৰ মাপ বা একক ব্যৱহাৰ কৰা হয়। সেইকেইটা হ’ল — **অক্ষৰ, মাত্ৰা** আৰু **স্বৰাঘাত**। তদুপৰি ছন্দৰ লয়লাস ভংগিমাত **যতি, পাদ** বা **চৰণ, অন্ত্যমিল** আদি অংগসমূহৰ অস্তিত্বকো স্বীকাৰ কৰা হয়।

**অক্ষৰ ঃ**

উচ্চাৰণকৰণ বা জিভাৰ এটা মাত্ৰ সঞ্চালনৰদ্বাৰা উচ্চাৰিত এক বা একাধিক ধ্বনিৰ সমষ্টিকে অক্ষৰ বোলা হয়। সহজ ভাষাত এটা স্বৰধ্বনিক কেন্দ্ৰ কৰি সৃষ্টি হোৱা এটা বা একাধিক স্বৰ বা ব্যঞ্জন ধ্বনিৰ একককে অক্ষৰ বোলে। যেনে ঃ ‘কলম’ — এই শব্দটোত থকা ধ্বনিবোৰ হ’ল — ক, অ, ল,অ, ম। উচ্চাৰণৰ ফালৰপৰা ইয়াত দুটা অক্ষৰ আছে — কঅ - লঅম। ঠিক সেইদৰে ‘মানুহ’ শব্দত ‘মআ- নউ -হ’ এই তিনিটা, ‘অসমীয়া’ শব্দটোত ‘অ- সঅ-মঈ-য়আ এই চাৰিটা অক্ষৰ আছে। ছন্দৰ ধাৰণাৰে তলৰ কাব্য পংক্তিটোৰ অক্ষৰ ভাঙি চোৱা যাওক —

“সিদিনাৰ অযোধ্যাৰ ক্ৰন্দন ধূমত।
দেখিলেনে কোনোবাই তোমাৰ প্ৰাণত।।
জ্বলিল কি বহ্নি ল’লৈ নে খবৰ।
জ্বলি পুৰি কিবা হ’ল এখনি অন্তৰ।।”

ইয়াক অক্ষৰ অনুসৰি ভাঙিলে এনে হ’ব ঃ

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭ | ৮ | ৯ | ১০ | | |
| সি | দি | নাৰ্ | অ | যোধ্ | য়াৰ্ | ক্রন্ | দন্ | ধূ | মত্ | | |
| ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭ | ৮ | ৯ | ১০ | ১১ | |
| দে | খি | লে | নে | কো | নো | বাই | তো | মাৰ্ | প্রা | ণত্ | |
| ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭ | ৮ | ৯ | ১০ | ১১ | ১২ |
| জ্ব | লিল্ | কি | বহ্ | নি | বা | ৰু | ল’ | লে | নে | খ | বৰ্ |
| ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭ | ৮ | ৯ | ১০ | ১১ | ১২ |
| জ্ব | লি | পু | ৰি | কি | বা | হ’ল্ | এ | খ | নি | অন | তৰ |

দেখা গ’ল যে উল্লিখিত কবিতাফাকিৰ প্ৰথম শাৰীত দহটা, দ্বিতীয় শাৰীত এঘাৰটা, তৃতীয় শাৰীত বাৰটা আৰু চতুৰ্থ শাৰীতো বাৰটা অক্ষৰ আছে। অক্ষৰৰ সংখ্যা অনুসৰি শাৰীবোৰ নিমিলিলেও অসমীয়া ছন্দৰ সাধাৰণ নিয়মানুসৰি প্ৰত্যেক শাৰীতে চৈধ্যটাকৈ আখৰ আছে। আনহাতে ধ্বনি-মাধুৰ্যৰ ফালৰপৰাও ছন্দৰ পতন হোৱা নাই। মাত্ৰা গণনা কৰিলেও এনে চৈধ্য আখৰীয়া ছন্দত মাত্ৰা সংখ্যাৰ মিল সদায় পোৱা নাযায়। তথাপি চৈধ্য আখৰৰ সমতাই নিৰ্দিষ্ট পাদটোক সমৰূপতা প্ৰদান কৰিছে। দৰাচলতে ই অসমীয়া ভাষাৰ স্বকীয় উচ্চাৰণ বৈশিষ্ট্যৰ ফলত সম্ভৱ হৈছে।